কোৱাঃ আল্লাহুম্মাকফিনী বিহালালিকা আন হাৰামিক, ওৱা আগনিনী বিফাজলিকা আম্মান ছিৱাক।

আলী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁৰ ওচৰলৈ এজন চুক্তিবদ্ধ দাস আহি ক'লেঃ মই মোৰ নিৰ্ধাৰিত অৰ্থ দিবলৈ অপাৰগ হৈছোঁ, গতিকে আপুনি মোক সহায় কৰক। তেতিয়া তেওঁ ক'লেঃ মই তোমাক এনেকুৱা কিছুমান শব্দ শিকামনে? যিবোৰ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে মোক শিকাইছিল। (শুনা! এই দুআটো নিয়মিত পাঠ কৰিলে) তোমাৰ ওপৰত যদি চীৰ পৰ্বত সমানো ঋণ থাকে তেন্তে সেয়া তোমাৰ ফালৰ পৰা আল্লাহে পৰিশোধ কৰি দিব। তেখেতে কৈছেঃ "কোৱাঃ আল্লাহুম্মাকফিনী বিহালালিকা আন হাৰামিক, ওৱা আগনিনী
বিফাজলিকা আম্মান ছিৱাক।" অৰ্থঃ (হে আল্লাহ! হাৰাম জীৱিকাৰ পৰা তোমাৰ হালাল জীৱিকা মোৰ বাবে যথেষ্ট কৰি দিয়া। লগতে তোমাৰ বাহিৰে সকলো লোকৰ পৰা মোক অমুখাপেক্ষী
কৰি দিয়া।
[হাছান] [(তিৰমিজী)]

আমিৰুল মুমিনীন আলী বিন আবি তালিব ৰাদ্বিয়াল্লাহু আনহুৰ ওচৰলৈ এজন কৃতদাস আহিল, যিয়ে নিজৰ মালিকৰ সৈতে ধনৰ বিনিময়ত মুক্তিৰ বাবে চুক্তি কৰিছিল, যাতে সেই নিৰ্ধাৰিত পৰিমাণৰ ধন আদায় দিলে সি দাসত্ব জীৱনৰ পৰা মুক্তি লাভ কৰিব পাৰে। কিন্তু তেওঁৰ ওচৰত পৰ্যাপ্ত ধন নাছিল, তেওঁ আহি ক'লেঃ মই মোৰ মালিকৰ নিৰ্ধাৰিত ধন আদায় দিয়াৰ ক্ষেত্ৰত অপাৰগ হৈছোঁ। এতেকে এই ধন আদায় দিয়াৰ ক্ষেত্ৰত আপুনি মোক সহায় কৰক, নাইবা মোক কিবা শিকাই দিয়ক বা পৰামৰ্শ দিয়ক। তেতিয়া আমিৰুল মুমিনীনে তেওঁক ক'লেঃ মই তোমাক সেই বাক্য কেইটা শিকাই নিদিমনে, যিবোৰ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে মোক শিকাইছিল। তোমাৰ ওপৰত যদি চীৰ পৰ্বত সমানো ঋণ থাকে, এই পৰ্বতটো হৈছে ত্বাই গোত্ৰত অৱস্থিত, তথাপিও আল্লাহে তোমাক সেই ঋণ পৰিশোধ কৰাৰ তাওফীক প্ৰদান কৰিব। লগতে তোমাক এই দুশ্চিন্তাৰ পৰা ৰক্ষা কৰিব। তেখেতে ক'লে, কোৱাঃ "কোৱাঃ আল্লাহুম্মাকফিনী বিহালালিকা আন হাৰামিক, ওৱা আগনিনী বিফাজলিকা আম্মান ছিৱাক।" অৰ্থঃ (হে আল্লাহ! হাৰাম জীৱিকাৰ পৰা তোমাৰ হালাল জীৱিকা মোৰ বাবে যথেষ্ট কৰি দিয়া। লগতে তোমাৰ বাহিৰে সকলো লোকৰ পৰা মোক অমুখাপেক্ষী কৰি দিয়া।

http://sunnah.global/hadeeth/as/show/5884